# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আই৪) য়ে ২০১৯ চনৰ ৪ জানুৱাৰীত মছজিদ বায়তুল ফতুহ মৌৰডনৰ (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ, তাউয, তাছমিয়া আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ)য়ে কৈছে আজি ২০১৯ চনৰ প্ৰথম জুমাৰ দিন সেয়ে মই গোটেই বিশ্বৰ আহমদী সকলক প্ৰথমে নতুন বছৰৰ শুভেচ্ছা জ্ঞাপন কৰিছো। আল্লাহ তায়লা আমাৰ বাবে এই নৰবৰ্ষক সকলো ফালেৰে কল্যাণময় কৰি দিয়ক আৰু অসীম সাফল্য কঢ়িয়াই লৈ আনক। কিন্তু আমি এয়াও মনত খচিত কৰি লব লাগিব যে কেৱল পৰম্পৰাগত ভাৱে শুভেচ্ছা যাঁচিলে একো লাভ নহ'ব আৰু এনেকুৱা শুভেচ্ছায় আল্লাহ তায়লাৰ কোনো সন্তুষ্টি অৰ্জন কৰোঁতাও নবনায়। নতুন বছৰৰ শুভেচ্ছাৰ যৰ্থাথতা আচলতে হ'ল এয়া যে আমি শপত লব লাগিব যে আল্লাহ তায়লা আমাক আৰু এটা বছৰৰ নৱ দিবাকৰ দেখুৱাইছে তাত আমি নিজৰ সকলো ধৰণৰ দুৰ্বলতা নিৰ্মুল কৰি এন্ধাৰৰ প্ৰচ্ছায়া দুৰ কৰিব লাগিব। বিদায় বছৰৰ যি অলসতা, অকৰ্মন্যতা ৰৈ আছে আমি শপত লব লাগিব যে সেইবোৰ দুৰীভূত কৰিম। আমি নিজৰ মাজত আগতকৈ বেছি সজ পৰিৱৰ্ত্তনৰ জন্ম দিবলৈ পূৰ্ন প্ৰচেষ্টা চলাম। প্ৰকৃতাৰ্থে যিবোৰ অৰ্জন কৰি লোৱাৰ নিমিত্তে আমি হজৰত মছিহ মাওউদ (আঃ)ৰ বয়াতৰ শপত বান্ধিছো। হজৰত মছিহ মাওউদ (আঃ) য়ে এঠাইত বৰ্ণনা কৰিছে যে এজন আহমদী আচলতে কেনেকুৱা হোৱা উচিত, উল্লেখ কৰিছে যে যিহেতু এইখন ছিলছিলাৰ অন্তৰ্ভুক্ত হৈছা গতিকে পুণ্যবান, মুত্তাকী, আৰু সকলো গোনাহৰ পৰা আঁতৰি থাকিবলৈ চেষ্টা কৰা, দিনে ৰাতি আকুতিৰে ভৰা প্ৰাৰ্থনাত লাগি থাকা, মৃদু ভাষী হোৱা আৰু ইস্তেগফাৰ কৰাটো নিজৰ অভ্যাসত পৰিণত কৰি লোৱা। নমাজৰ মাজত দোৱা কৰি যোৱা, আৰু দোৱা তেতিয়াহে সম্পুৰ্ণ হ'ব যেতিয়া নমাজৰ হ'ক আদায় কৰোঁতা হবা আৰু ইয়াক নিষ্ঠাৰে সৈতে পঢ়োতা হবা। খোদা তায়লা কেৱল কথাতে সন্তুষ্ট নহয়। কোৰ-আন কৰিমত আল্লাহ তায়লা ঈমানৰ সৈতে সজ আমলৰ চৰ্তও উল্লেখ কৰিছে। সজ আমল তাকেই কোৱা হয়, য'ত কিঞ্চিত পৰিমাণেও বিতৰ্কৰ উদ্ৰেক নহয়। গতিকে এয়াই হ'ল নিৰিখ আৰু নিত্য কৰ্ম। গতিকে যদি আমি এই বছৰটোত এইবোৰৰ ওপৰত আমল কৰোঁতা হওঁ আৰু এয়া অজনাৰ্থে নিজৰ সমস্ত শক্তি খটুৱাৰ চেষ্টা কৰো তেন্তে এই নৱবৰ্ষ আমাৰ নিমিত্তে নিশ্চয় মোবাৰক আৰু অনেক কল্যাণ কঢ়িয়াই লৈ অনা বছৰ হ'ব। আৰু যদি এয়া নহয় তেন্তে যেনেকৈ মই কৈছো যে আমাৰ নৱবৰ্ষৰ শুভেচ্ছা এটা পৰম্পৰাগত শুভেচ্ছাহে মাত্ৰ হ'ব। নৱ বৰ্ষৰ শুভ ৰাত্ৰিত তাহাজ্জুদ আৰু বাজমাত ফজৰৰ নমাজ পঢ়ি লোৱাটোয়েই গোটেই বছৰৰ নেকিক সাৰটি লৈ নাহে বৰং এই চেষ্টা যিমান দুৰ সম্ভৱ গোটেই বছৰটো ব্যাপি সক্ৰিয় কৰি ৰখাটো হ'ল আচল নেকি। আল্লাহ তায়লা ইয়াৰ বাবে আমাক তৌফিক দান কৰক। লগতে প্ৰকৃতাৰ্থত আমাৰ নিজৰ জীৱণটোত এই নৱবৰ্ষই অসীম কল্যাণ বৈ আনোতা হওঁক। লগত আমি যেন জমাতৰ অসীম উন্নতি দৰ্শন কৰোঁতা হওঁ।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে -ইয়াৰ পিছত মই আজি আন এটা বিষয় উপস্থাপন কৰিবলৈ লৈছো, সাধাৰণতে জানুৱাৰী মাহত প্ৰথম নাইবা দ্বিতীয় জুমাৰ দিনা ওয়াকফে জাদিদৰ নতুন বছৰৰ ঘোষণা কৰা হয়। আল্লাহৰ কৃপাত মাল কোৰবাণী কৰাটো হজৰত মছিহ মাওউদ (আঃ)ৰ জমাতৰ এটা অনবদ্য পাৰ্থক্য। বৰ্তমান যুগত হজৰত মছিহ মাওউদ (আঃ)য়ে আমাক আঁহজৰত (ছাঃ) ৰ নিৰ্দেশ আৰু বাণী অনুযায়ী ধন উচ্ছৰ্গা কৰাৰ বিশেষ বোধ শক্তি দান কৰিছে। কোৰ-আন কৰিমত বিভিন্ন ঠাইত আল্লাহ তায়লা তাৰ বাটত খৰচ কৰাৰ ফালে মনযোগ আকৰ্ষণ কৰিছে। কিন্তু এয়া এই বুলি নহয় যে আল্লাহ তায়লাৰ আমালোকৰ ধন সম্পত্তিৰ প্ৰয়োজন আছে। বৰং ইয়াত আমাৰেই লাভ আছে আৰু জমাতকো লাভ প্ৰদান কৰে। আল্লাহ তায়লা কোৰ-আন কৰিমত কৈছে-''ইন তুকৰিজুল্লাহা কৰজা হাচানা ইউজাইফহু লাকুম ওয়া ইয়াগফিৰ লাকুম, ওয়াল্লাহু সাকুৰুণ হালিম'' অৰ্থাৎ যদি তুমি আল্লাহক কৰজা হাচানা দিয়া

তেন্তে তেওঁ সেয়া তোমালোকক বঢ়াই দিব আৰু তোমালোকক উপঢৌকণ দিব আৰু আল্লাহ বহুত সন্মানী আৰু ধৈৰ্য্যশীল।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আল্লাহ তায়লা সদায় তাক বেছিকৈ দিয়ে যিজনে তাৰ পথত দান কৰে। এই দান বৰঙনিৰ এটা বিশেষ লাভও আছে আৰু ইয়াত জমাতৰও উন্নতি নিহিত হৈ আছে। আনহাতে এয়া গৈ সদস্যৰও উন্নতিৰ কাৰক হয়। এনেদৰে আঁহজৰত (ছাঃ) য়ে কৈছে যে কৃপনতাৰ পৰা আতঁৰি থাকা কাৰণ কৃপনতায় আগৰ সম্প্ৰদায় বিলাকৰ পতন ঘটাইছে। এনেদৰে আন এঠাইত আঁহজৰত (ছাঃ)য়ে কৈছে যে অগ্নিৰ হাত সাৰি থাকা যদি আধা খেজুৰও খৰচ কৰাৰ ক্ষমতা আছে। অতি সাধাৰণ খৰচও আল্লাহৰ বাটত কৰিলে বা আল্লাহৰ সন্তুষ্টি অজনাৰ্থে দিলে সেয়াই অগ্নিৰ পৰা ৰক্ষা কৰিব। গতিকে এই ধন-মাল কোৰবাণী আমাক লাভবান কৰাৰ অৰ্থেহে আছে। এই ধন কোৰবাণীৰ গুৰুত্বৰ ফালে আঙুলিয়াই হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে খোদা তায়লা আৰু ধনমাল এই দুয়োৰে প্ৰতি সমানে ভালপোৱা অটুট ৰখা তোমালোকৰ নিমিত্তে সম্ভৱ নহয়। গতিকে সৌভাগ্য বান হ'ল সেইজন ব্যক্তি যিজনে খোদা তায়লাক ভাল পায় আৰু যদি তোমালোলোকৰ মাজৰ কোনোবাই খোদা তায়লাক ভাল পাই তাৰ পথত ধনমাল খৰচ কৰে তেন্তে মই বিশ্বাস ৰাখো যে তাৰ ধন মালত বেলেগৰ তুলনাত বেছি বৰকত দান কৰিব কাৰণ ধনমাল নিজে নিজে নাহে বৰং খোদাৰ ইচ্ছাতহে আহে। গতিকে যিজনে খোদাৰ নিমিত্তে ধনমালৰ কিছু অংশ এৰি দিয়ে, তেওঁ নিশ্চয় সেয়া ঘুৰাই পাব। কিন্তু যিজনে ধনমালৰ প্ৰেমত ডুব গৈ খোদাৰ বাটত সেই খিদমত নকৰে, যিখিনি কৰা উচিত তেন্তে নিশ্চয় এদিন তেওঁ সেই সম্পদ হেৰাই পেলাব। এয়া ধাৰণা নকৰিবা যে অৰ্থ সম্পদ তোমালোকৰ চেষ্টাৰ ফলত হৈছে বৰং এয়া খোদা তায়লাৰ ফালৰ পৰাহে আহে। আনফালে এয়াও ধাৰণা নকৰিবা যে তুমি নিজৰ ধন মাল দান কৰি নাইবা বেলেগ কোনো প্ৰকাৰে খিদমত কৰি খোদা আৰু তাৰ ৰছুলৰ ওপৰত দয়া কৰিছা বৰং এয়া হ'ল তাৰেই দয়া যে সি তোমালোকক এই খিদমতৰ নিমিত্তে আহ্বান কৰিছে। তোমালোকে নিশ্চিতকৈ ভাৰিবা যে এই কাম আচমানৰ পৰাহে হৈ আছে আৰু তোমালোকৰ খিদমত একমাত্ৰ তোমালোকৰ মঙ্গঁলৰ নিমিত্তে হে।

আল্লাহ তায়লাৰ কৃপাত কোৰবাণী আৰু খিদমতৰ গুঢ়াৰ্থ একমাত্ৰ হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াতৰ অধীনত অহা সকলেহে বুজি পাইছে আৰু বেছি বেছি কোৰবাণী কৰাৰ ফালে মনযোগ দিছে। কেৱল পুৰণি আহমদী সকলেই নহয় বৰং নম'বাইন সকলেও বয়াতৰ পিছত এই মালি কোৰবাণীৰ গুঢ়াৰ্থ বুজি পাইছে। এনেকুৱা লোকও বহুত আছে, যি সকলে অতি দৰিদ্ৰতাৰে জীৱণ যাপন কৰি আছে কিন্তু মাল কোৰবাণীৰ ক্ষেত্ৰত বেলেগতকৈ পিছে পৰি থাকিব নিবিচাৰে। তেওঁলোকে সেই ধৰণৰ কোৰবাণী আগবঢ়ায় যেনে কৈ হজৰত মছিহ মাওউদ (আঃ) ৰ সময়ত চাহাবা সকলে কোৰবাণী আগবঢ়াইছিল। কিছুমান এনেকুৱা উদাহৰণও আছে আৰু যিসকলৰ সম্পৰ্কে হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছিল যে মই মোৰ জমাতৰ ভাল পোৱা আৰু একাগ্ৰতা চাই আচৰিত মানিছো যে এওঁলোকৰ মাজত অতি কম উৰ্পাজন কাৰী সকলও আছে। আকৌ তেখেত (আঃ) য়ে উদাহৰণ স্বৰূপে আঙুলিয়াইছে যে যেনেকৈ মিয়া জামাল উদ্দিন আৰু খায়েৰ উদ্দিন আছে আৰু ইমাম উদ্দিন কাশ্মিৰী আছে। এওঁলোকে মোৰ গাৰৰ কাষতেই থাকে। এওঁলোক তিনিও ভাই তিনি চাৰি অনা পাৰিশ্ৰমিকত মজদুৰি কৰে। কিন্তু বৰ উৎসাহেৰে মাহিলি চান্দা দিয়াত অংশ লৈছে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে বিশ্বৰ বিভিন্ন জমাতৰ মালী কোৰবানীৰ কিছুমান ঈমান উদ্দীপক ঘটনা বৰ্ণনা কৰিছে। ঘানাৰ এজন বন্ধু ৰম পোং চাহাব। তেখেতে কৈছে যে কেইবছৰ মান আগত মোৰ নিজৰ শিক্ষা বাবদ পাচঁ হাজাৰ পাউণ্ড ফিচ দিব লগীয়া হৈছিল, তেতিয়া মই কামও কৰি আছিলো কিন্তু মোৰ দৰমহা ইমান নাছিল। যদি মই বাৰ মাহৰ দৰমহাও একেলগ কৰি লওঁ তথাপি ইমানখিনি পাউণ্ড জমা নহয়। এনেতে মই বেংকৰ পৰা তিনি হাজাৰ পাউণ্ড ঋণ পাই গলো আৰু মোৰ দৰমহাৰ ৪০ পাৰছেন প্ৰত্যেক মাহত ঋণ পৰিশোধত দিব লগা হ'ল তথাপি মই চান্দা মোৰ সম্পুৰ্ণ দৰমহাৰ নিৰিখত আদায় দিছিলো। দৰমহাৰ ৪০ পাৰছেন গুচি যোৱালৈ ভ্ৰূক্ষেপ কৰা নাছিলো। এদিন মই কথাছি মিশনহাউচলৈ গৈছিলো তেতিয়া মিচন ইনচাৰ্জে মোক ওয়াকফে জাদিদৰ ওয়াদা সম্পৰ্কে মনত পেলাই দিয়ে। তেতিয়া মোৰ পকেটত ওয়াদা পৰিশোধৰ পাউণ্ডখিনি আছিল কিন্তু মই চিন্তা কৰিছিলো যে যদি মই এই পাউণ্ড খিনি এতিয়া চান্দা দি দিওঁ তেন্তে মোৰ পকেটত ঘুৰি যাবলৈ ভাড়াৰ পইচা খিনিও নাথাকিব। তথাপি মই তেতিয়াহে সেই পইচাখিনি চান্দা দি দিওঁ। মই

মিশন হাউচৰ পৰা ঘৰলৈ বুলি ৰওয়ানা হৈছিলো এনেতে আহি জমা হৈছে। যি অংকটো চান্দাৰ পইচাতকৈ পাচঁ গুণ বেছি আছিল। মই ভাৱিছিলো যে বেংকৰ ফালৰ পৰা ভুলক্ৰমে এই পইচা আহি গৈছে গতিকে এয়া পিছত ঘুৰাই লৱ নিশ্চয়। কিন্তু পিছদিনা মই কামলৈ গৈ গম পালো যে এই টকা খিনি চৰকাৰৰ ফালৰ পৰা পোৱা গৈছে, যি যোৱা মাহৰ বাকী আছিল। তেতিয়া মই আল্লাহৰ শলাগ লৈছিলো যে আল্লাহ তায়লা মই ভয় কৰা সত্বেও মোক চান্দা সমুহ প্ৰদানৰ মনোবল দান কৰিছিল। সেই দিনাৰ পৰা মই নিজৰ ওয়াদাৰ চান্দা সমুহ প্ৰদান কৰাৰ ফালে বৰ মনযোগ দিওঁ।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে ভাৰতবৰ্ষৰ এজন ইনস্পেক্টৰ ইকবাল চাহাবে লিখিছে যে কামাৰিডি জমাতত ওয়াকফে জাদিদৰ তেহেৰিক কৰা হৈছিল এজন ডেকাই লগে লগে নিজৰ সম্পুৰ্ণ চান্দা আদায় দিছিল। ইয়াৰে কিছু সময় পিছত সেই দিনাই লৰাজনে এটা ডাঙৰ অংকৰ ধন লাভ কৰিছিল,যাৰ কাৰণে লৰাজনে আঠ বছৰ কাল পাম বুলি অপেক্ষা কৰি আছিল আৰু সময় এক দীৰ্ঘকাল পাৰ হৈ যোৱাৰ বাবে সেয়া পোৱাৰ আশাও প্ৰায় এৰিয়ে দিছিল। পিছত কেৱল তেওঁ এই টকাখিনিয়ে পোৱা নাছিল বৰং তাৰ টেম্পেৰাৰী চাকৰিটো পাৰ্ৰমানেণ্ট হৈ গৈছে। তেতিয়া ডেকাজনে আনন্দিত হৈ কয় যে এয়া একমাত্ৰ আল্লাহ তায়লাৰ বাটত খৰচ কৰাৰ ফলত হোৱা এটা মজিজা স্বৰূপ। তাৰ পিছত ডেকাজনে কয় যে মই প্ৰত্যেক বছৰ নিজৰ পোন্ধৰ দিনৰ আমদানী ওয়াকফে জাদিদৰ চান্দা দিম।

ৰোমানিয়াৰ মোবাল্লিগ ফহিম চাহাবে লিখিছে যে এজন আহমদী যিজনে দৰ্জী কাম কৰে বৰ নিয়মিত ভাৱে চান্দা দিয়ে। তেওঁ বৰ একাগ্ৰতা আৰু আনন্দেৰে সৈতে চান্দা দিয়ে। তেওঁক চান্দাৰ বিষয়ে কেতিয়াও মনত পেলাই দিব নালাগে। তেওঁ কৈছে যে আল্লাহৰ কৃপাত যেতিয়াৰ পৰা মই চান্দা দিয়া আৰম্ভ কৰিছো, মই লক্ষ্য কৰি আছো যে খোদা তায়লাৰ সন্তুষ্টি অৰ্জনাৰ্থে চান্দা দিয়াৰ ওচৰা-ওচৰি মোৰ গ্ৰাহকৰ সংখ্যাত বাঢ়ি গৈ আছে। আমদানীত খোদা তায়লাৰ অশেষ কল্যাণ পৰিলক্ষিত হৈছে। হুযুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে এই সকল লোকক আল্লাহ তায়লা ইউৰোপৰ দেশ সমুহত থকা সত্তেও দুনীয়াদাৰীত জীৱণ কটোৱাৰ ওচৰা-ওচৰি আহমদীয়ত লৈ আনিছে আৰু তেওঁলোকক নিজৰ কৰুণাৰে দৃঢ় ঈমান দান কৰিছে।

ভাৰতবৰ্ষৰ পৰা এজন ইনস্পেক্টৰ ছলিম চাহাবে লিখিছে যে জয়পুৰ জমাতৰ এজন বন্ধু তেওঁ এখন বে-চৰকাৰী স্কুলত শিক্ষকতা কৰিছিল। যোৱা বছৰ তেখেতক ওয়াকফে জাদিদৰ চান্দাৰ তেহেৰিক কৰা হৈছিল যে আপোনাৰ আমদানীৰ হিচাপত আপোনাৰ ওয়াদা পাচঁ হাজাৰ টকা হ'ব লাগে। তেতিয়া মানুহজনে কৈছিল যে মই এটা সাধাৰণ বে-চৰকাৰী স্কুলত শিক্ষকতা কৰো, গতিকে মই ইমান টকা কৰ পৰা দিম। তেখেতক কোৱা হৈছিল আল্লাহ তায়লা নিশ্চয় তৌফিক দান কৰিব। এই বছৰ যেতিয়া সেই শিক্ষক মহোদয়ৰ ওচৰলৈ যোৱা হ'ল তেতিয়া দেখা গ'ল যে তেখেতে প্ৰদান শিক্ষকৰ আসনত বহি আছে। তেখেতে কবলৈ ধৰিলে যে চান্দাৰ কল্যাণত আল্লাহ তায়লা এনেকুৱা বৰকত দান কৰিছে যে মই এই স্কুল খন কিনিব পাৰিছো। ইনস্পেক্টৰ চাহাবে লিখিছে যে বৰ্তমানে মানুহজনে চাৰিখন স্কুল চলাই আছে। আগতে তেখেতৰ ঘৰখন টিনপাতৰ আছিল, বৰ্তমান তেখেতৰ ঘৰখন তিনি মহলীয়া বিল্ডিং হৈছে। তাৰে এখন মহল তেখেতে নমাজে জুমাৰ নিমিত্তে ৰাখিছে। এই বৰকত একমাত্ৰ আল্লাহৰ বাটত খৰচ কৰাৰ ফল স্বৰূপে হৈছে আৰু ইয়াৰ ফলশ্ৰুতিত মহোদয়ৰ ঈমানও বদ্ধন হৈছে।

সদৰ লাজনা কানাডায় কৈছে যে এখন মজলিচত এজনী মহিলায় কৈছে যে তাইৰ বাৰ বছৰীয়া ছোৱালী জনীয়ে স্কুলৰ পৰা ৪০ ডলাৰ পুৰুস্কাৰ হিচাপে লাভ কৰিছে, তাৰে তাই কিবা কিবি কিনিব বুলি ইচ্ছা কৰিছিল কিন্তু চেক্ৰেটাৰী ওয়াকফে জাদিদৰ তেহেৰিকত তাই গোটেইখিনি পুৰুস্কৃত ডলাৰ চান্দা হিচাপে দি দিছে। তাই কয় যে আল্লাহ তায়লা যেন মোক আগন্তক আব্দুছ ছালাম ছাইন্স ফেয়াৰত প্ৰথম স্থান দখলৰ সক্ষমতা দান কৰে। ঠিক সেইদৰেই তাই তিনি শ ডলাৰ পুৰুস্কাৰ হিচাপে লাভ কৰিছে। এনেদৰে আল্লাহ তায়লা উক্ত ছোৱালীজনীৰ ঈমানত আৰু বিশ্বাসত দৃঢ়তা দান কৰিছে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আজি কালি এটা নতুন খেল আৰম্ভ হৈছে যেনে ফৰ্টনাইট। কিছুমান লৰা ছোৱালীয়ে উক্ত খেলত টকা পইচা নষ্ট কৰি থাকে। মাক দেউতা আৰু খুদ্দামুল আহমদীয়া আৰু আতফালুল আহমদীয়া তনজিম বিলাকৰ উচিত যে এই খেলবোৰৰ পৰা লৰা ছোৱালীক আঁতৰাই ৰাখে কাৰণ এটাৰ পিছত আন এটা ছেটলৈ

যাবলৈ কাৰ্ড লয় য'ত টকা খৰচ হয়। উক্ত খেললৈ যাৰ নিচা হৈ গৈছে তেওঁৰ কেৱল সময়ৰ ক্ষতিয়ে নহয় বৰং বেয়া চিন্তা ধাৰাৰও জন্ম হয়। এনেদৰে কিছুমান মাক-দেউতাৰ বেয়াকৈ ক্ষতি সাধন হৈ আছে। এই খেলৰ পৰা আঁতৰি থকা উচিত। আল্লাহ্ তায়লা যি ফালে মনযোগ দিবলৈ কৈছে যে আল্লাহৰ বাটত খৰচ কৰা এয়া ভালদৰে লৰা ছোৱালীক বুজুওয়া উচিত বিশেষকৈ ওয়াকফে জাদিদৰ নিমিত্তে।

হুযুৰ আনোৱাৰৰ (আইঃ) য়ে কয় যে কৰ্ণাটকৰ ইনস্পেক্টৰ চাহাবে লিখিছে যে এটা ৰিফ্রেচাৰ কোৰ্চ অনুষ্ঠিত হৈছিল। তাত মই কৈছিলো নায়েব নাজিম মাল আৰু ওয়াকফে জাদিদৰ সৈতে আপোনালোকে যোগ দিয়ক। নায়েব নাজিম মাল চাহাবে তাৰেই এজন স্থানীয় মোৱাল্লিমৰ ঘৰত গৈ উল্লেখ কৰে যে এই বছৰটোত অতিৰিক্ত বৰষুণ হোৱাৰ ফলত কেৰেলা বাসীৰ অপৰ্যাপ্ত ক্ষতি সাধন হৈছে গতিকে ওয়াকফে জাদিদৰ চান্দা আদায় লোৱাটো সমস্যা আছে। তাৰ পিছত নায়েব নাজিম মাল চাহাবে মোৱাল্লিম চাহাবৰ ঘৰৰ পৰা ওলাই যাওঁতে লৰা ছোৱালীক এশকৈ টকা দি থৈ যায়। তেখেতে কয় যে মই কিছুদিন পিছত আকৌ সেই জমাতলৈ যোৱাত সেই মোৱাল্লিম চাহাবৰ লৰা ছোৱালী বিলাকে সেই টকা, যি তেওঁলোকক উপহাৰ দিয়া হৈছিল, ওয়াকফে জাদিদৰ চান্দা হিচাপে আগবঢ়াইছিল আৰু কৈছিল যে কেৰেলাৰ অৱস্থা বৰষুণৰ হেচাঁত বৰ বেয়া গতিকে আমাৰ ফালৰ ইখিনি চান্দা হিচাপে গ্ৰহন কৰি লওঁক। অতি কম বয়সৰ হোৱা সত্বেও হৃদয়ত চান্দাৰ গুৰুত্ব জাগ্ৰত আছে। অষ্ট্ৰেলিয়াৰ জমাতৰ সদৰ চাহাবে বৰ্ণনা কৰিছে যে এজন মুখলিচ বন্ধুয়ে নিজৰ ওয়াকফে জাদিদৰ চান্দা দিছিল। তেখেতক আকৌ স্পেচিয়েলি চান্দাৰ বাবে তেহেঁৰিক কৰি বাকী থকা চান্দাৰ কথা মনত পেলাই দিয়াত তেখেতে এক ভোজন পৰিমানৰ টকা চান্দা হিচাপে দিছিল। পিছদিনা আবেলি লোকজনে ফোনত বৰ আগ্ৰহ চিৰে কৈছিল যে খাকচাৰ চান্দা ওয়াকফে জাদিদ আদায় দিয়াৰ লগে লগে এটা দিনতে আল্লাহ তায়লা সেয়া পূৰ্ণ কৰি দিছে। মই তিনিবছৰ ধৰি এখন ভোজন আলয় চলাই আছো আৰু যোৱা তিনি বছৰে এদিনও ইমান গ্ৰাহক অহা নাই যিমান গ্ৰাহক আজি চান্দা দিয়াৰ পিছত আহিছে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এতিয়া মই কিছুমান কুয়ায়েফ (পদ) আপোনাকলৈ আগবঢ়াম। আল্লাহৰ কৃপাত ওয়াকফে জাদিদৰ ৬১ তম বছৰ ৩১ ডিচেম্বৰত ২০১৮ চনত অন্ত পৰিছে। উক্ত বছৰ জমাতৰ সদস্য সকলে ৯১ লাখ ৩৪ হাজাৰ পাউণ্ডৰ কোৰবাণী আগবঢ়োৱাৰ তৌফিক লাভ কৰিছে। এই আদায়কৃত ধনৰ পৰিমান ইয়াৰ আগৰ বছৰতকৈ ২ লাখ ৭১ পাউণ্ড বেছি হৈছে। পাকিস্থানৰ যি স্থান আছিল সেয়া অটুট ৰাখিছে। ইয়াৰ পিছত যি দহটা দেশ আছে তাৰ মাজত প্ৰথম স্থানত আছে বৃটেইন,দ্বিতীয় জাৰ্মানী, তৃতীয় আমেৰিকা চতুৰ্থ কানাডা পঞ্চম ভাৰত ষষ্ঠ অষ্ট্ৰেলিয়া সপ্তম ইণ্ডোনেচীয়া অষ্টম মিডল ইষ্টৰ এটা জমাত নৱম ঘানা দশম স্থানত আছে মিডল ইষ্টৰ আন এটা জমাত। আল্লাহ তায়লাৰ কৃপাত যোৱা বছৰ ওয়াকফে জাদিদত ৭০ লাখ বত্ৰিছ হাজাৰ লোকে অংশ গ্ৰহন কৰিছে আৰু এই বছৰত এয়া বাঢ়ি গৈ এক লাখ তেইছ হাজাৰ যোগ হৈছে। ভাৰতবৰ্যত আদায় হোৱা অংকৰ হিচাপত যিবোৰ ৰাজ্য আছে সেইবোৰ হ'ল কেৰেলা,জম্মু কাশ্মিৰ,কৰ্নাটক, তেলেংগানা, তামিলনাডু, উৰিষ্যা,ওৱেষ্টবেংগল,পঞ্জাব,দিল্লী,উত্তৰ প্ৰদেশ। আনহাতে আদায়কৃত চান্দাৰ হিচাপত জমাত ক্ৰমান্বয়ে আছে হায়দৰাবাদ,প্ৰথম কাদিয়ান দ্বিতীয় তৃতীয় পাথপ্ৰেম চতুৰ্থ কালিকট পঞ্চম কলিকতা,ষষ্ঠ চেন্নাই,সপ্তম কাৰোলাই,অষ্টম ৰিশিনগৰ নৱম দিল্লী। আল্লাহ তায়লা সকলো দেশৰ অংশ গ্ৰহন কাৰীসকলৰ ধনমাল প্ৰাণত বৰকত দান কৰক। ভৱিষ্যতলৈ উচ্চ পৰ্যায়ৰ কোৰবাণী আগবঢ়োৱাৰ তৌফিক দান কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwa 4 Jan.. 2019**

**(BOOK POST PRINTED MATTER)**

**To**

------------------------------------------------------------------------

------------------------------------------------------------------------

------------------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844